**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::::**

১। অপাৰেচন সিন্দূৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শক্তিশালী ৰাজনৈতিক ইচ্ছা শক্তি, চোৰাংচোৰা সংস্থাৰ নিৰ্ভুল তথ্য আৰু তিনিওটা সশস্ত্ৰ বাহিনীৰ অব্যৰ্থ আক্ৰমনাত্মক ক্ষমতাৰ অনন্য প্ৰতীক বুলি কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

২। নেপালৰ ধবজাবাহী বহুখণ্ডীয় আলোচনাৰ মঞ্চ সাগৰামাথা সংবাদ কালিৰে পৰা অনুষ্ঠিত হৈছে।

৩। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন অনুসৰি চলিত বিত্তীয় বৰ্ষত ৬ দশমিক ৩ শতাংশ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰে ভাৰত বিশ্বৰ দ্ৰুততম বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে।

৪। বিশিষ্ট লেখক চালমান ৰুশ্বদিক ২০২২ চনৰ নিউয়ৰ্কৰ এটা সাংস্কৃতিক অনুষ্ঠানত চুৰিৰে আক্ৰমণ কৰা হাদী মাটাৰ নামৰ লোকজনক ২৫ বছৰৰ কাৰাদণ্ড বিহা হৈছে। *আৰু*

৫। এসপ্তাহৰ বিৰতিৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ আজিৰে পৰা পুনৰ অনুষ্ঠিত হ'ব। আজি চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

ooooo

অপাৰেচন সিন্দূৰ হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শক্তিশালী ৰাজনৈতিক ইচ্ছা শক্তি, চোৰাংচোৰা সংস্থাৰ নিৰ্ভুল তথ্য আৰু তিনিওটা সশস্ত্ৰ বাহিনীৰ অব্যৰ্থ আক্ৰমনাত্মক ক্ষমতাৰ অনন্য প্ৰতীক। নতুন দিল্লীত কালি চোৰাংচোৰা তথ্য বিনিময়ৰ নতুন বহুপাক্ষিক সংস্থা উদ্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এইদৰে কয়। তেওঁ কয়, যে ভাৰত ইয়াৰ তিনিওটা সশস্ত্ৰ বাহিনী, সীমান্ত সুৰক্ষা বাহিনী আৰু সকলো নিৰাপত্তা সংস্থাক লৈ গৌৰৱান্বিত। শ্ৰী শ্বাহে শেহতীয়াকৈ ছত্তিশগড়-তেলেংগানা সীমান্তৰ কাৰেগাত্তালু পাহাৰত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ নক্সাল বিৰোধী অভিযানৰ কথা উল্লেখ কৰি কয়, যে নক্সালৰ বিৰুদ্ধে এনে ঐতিহাসিক অভিযানসমূহে দেশৰ নিৰাপত্তা বাহিনীসমূহৰ মাজৰ সহযোগিতাকে প্ৰতিফলিত কৰে। এনেধৰণৰ সহযোগিতা অপাৰেচন সিন্দূৰৰ সময়তো দেখিবলৈ পোৱা গৈছিল বুলি শ্ৰী শ্বাহে উল্লেখ কৰে। তেওঁ কয়, যে নতুনকৈ স্থাপন কৰা বহুপাক্ষিক সংস্থা কেন্দ্ৰটোৱে ৰাষ্ট্ৰীয় সুৰক্ষা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰি সকলো সংস্থাৰ মাজত সমন্বয় ৰক্ষাৰে এখন বিৰামহীন আৰু সংহত মঞ্চ প্ৰদান কৰিব।

ooooo

নেপালৰ ধবজাবাহী বহুখণ্ডীয় আলোচনাৰ মঞ্চ সাগৰামাথা সংবাদ কালিৰে পৰা অনুষ্ঠিত হৈছে। তিনিদিনীয়া এই কাৰ্যসূচীত নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলি, বিদেশ মন্ত্ৰী ড০ আৰজু ৰানা দেউবা, চীনৰ নেছনেল পিপলছ কংগ্ৰেছৰ জিয়াউ জি, ভাৰতৰ পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱ, জলবায়ু পৰিৱৰ্তন সন্মিলন-

চি অ' পি 29ৰ অধ্যক্ষ আৰু আজাৰবাইজানৰ পৰিৱেশ মন্ত্ৰী মুখতাৰ বাবায়েভৰ লগতে অন্যান্য প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে সাগৰমাথা সংবাদৰ ইতিবাচক বাৰ্তা প্ৰচাৰৰ উদ্দেশ্যে আজাৰবাইজানৰ ৰাষ্ট্ৰপতি আৰু চি অ' পি 29ৰ অধ্যক্ষ মুখতাৰ বাবায়েভৰ প্ৰতিনিধিসকলক তৃতীয় ৰাষ্ট্ৰীয় দঢ় সংকল্প অৱদান- এন ডি চি থ্ৰী অৰ্পন কৰে। চি অ' পি 29ৰ অধীনৰ পেৰিছ্ জলবায়ু চুক্তিৰ আধাৰত পৰিৱেশ আৰু বন মন্ত্ৰালয়ে এন ডি চিৰ খচৰা প্ৰস্তুত কৰি উলিয়াইছে। নেপালে ২০৩৫ চন পৰ্যন্ত সামৰি স্থায়ী লক্ষ্য, ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তীয় সম্পদ, স্থানীয় পৰ্যায়লৈকে জলবায়ু কাৰ্যব্যৱস্থা ৰূপায়ণৰ পৰিকল্পনাৰ দিশসমূহ অন্তৰ্ভুক্ত কৰি এই খচৰা প্ৰস্তুত কৰিছে।

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেচে এটা ভিডিঅ' বাৰ্তাত কয়, যে তৃতীয় বিশ্বৰ দেশসমূহ জলবায়ু পৰিৱৰ্তনৰ কাৰণ নহয়, কিন্তু তেওঁলোকে ইয়াৰ প্ৰভাৱসমূহৰ সৈতে যুঁজি আছে। সন্মিলনত ভাষণ দি ভাৰতৰ পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে জলবায়ু পৰিৱৰ্তন কাৰ্যব্যৱস্থা আৰু হিমালয় তথা অন্যান্য পৰ্বত পৰিৱেশ তন্ত্ৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে সহযোগিতাৰে কাম কৰাৰ প্ৰয়োজন সন্দৰ্ভত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে সাগৰমাথা সংবাদ আয়োজন কৰাৰ বাবে নেপালৰ শলাগ লয়।

০০০০০

কেন্দ্ৰীয় পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে কালি নেপালৰ ৰাজধানী কাঠমাণ্ডুত সাগৰমাথা সংবাদ আলোচনাৰ সুযোগতে দেশখনৰ পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী আইন বাহাদুৰ শ্বাহি ঠাকুৰীৰ সৈতে এখন বৈঠকত মিলিত হয়। সাগৰমাথা সংবাদৰ প্ৰথম সংস্কৰণত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মন্ত্ৰীগৰাকী ১৫ মে'ৰ পৰা পৰা তিনি দিনীয়া কাৰ্যসূচীৰে নেপাললৈ গৈছে। কালিৰ এই বৈঠকৰ সময়ত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক আৰু আঞ্চলিক উদ্যম সমূহৰ প্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে সহযোগিতাৰ ন ন সুযোগ সন্দৰ্ভত আলোচনা কৰে।

শ্ৰী যাদৱে নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰজু ৰানা দেউবাকো সাক্ষাৎ কৰে। তেওঁলোকে পৰিৱেশ খণ্ডত ভাৰত আৰু নেপালৰ সহযোগিতা অধিক শক্তিশালী কৰা সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী কে পি অলিকো সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু নেপালনৰ মাজৰ ঐতিহাসিক সাংস্কৃতিক আৰু সভ্যতাৰ ভিত্তিত আধাৰিত বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ বিষয়ে আলোকপাত কৰে। তেওঁলোকে লগতে পৰিৱেশ সংৰক্ষণৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰত দেশ দুখনৰ মাজৰ সহযোগিতা শক্তিশালী কৰা সন্দৰ্ভতো আলোচনা কৰে।

শ্ৰী যাদৱে নেপালৰ ললিতপুৰ জিলাত থকা ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্থান লাভ কৰা পাতন দৰবাৰ স্কুৱেৰৰ সমীপৰ আদালত ভৱন আৰু শ্ৰী জ্যেষ্ঠ ৱৰ্ণ মহাবিহাৰো পৰিদৰ্শন কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ গান্ধী নগৰত ৭০৮ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত গান্ধীনগৰ পৌৰ নিগম, গান্ধীনগৰ নগৰ উন্নয়ন প্ৰাধীকৰণ আৰু গান্ধীনগৰ জিলা প্ৰশাসনৰ কেইবাটাও প্ৰকল্প আছে। শ্ৰী শ্বাহে ভাভোলত নৱ-নিৰ্মিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, পেঠাপুৰৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু নতুনকৈ বিকশাই তোলা কোলৱাৰা হ্ৰদো মুকলি কৰিব। এই কাৰ্যসূচীৰ সময়ত গৃহমন্ত্ৰীগৰাকীয়ে ডাক বিভাগৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰীলৈ তেওঁলোকৰ লাভসমূহ বিতৰণ

কৰাৰ লগতে এখন জনসভাতো ভাষণ দিব। কাইলৈ শ্ৰী শ্বাহে আহমেদাবাদ আৰু মাহেচানাত বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০

ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন অনুসৰি চলিত বিত্তীয় বৰ্ষত ৬ দশমিক ৩ শতাংশ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰে ভাৰত বিশ্বৰ দ্ৰুততম বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। ভাৰতৰ বিকাশৰ এই ধাৰা আনুমানিক ৬ দশমিক ৪ শতাংশ হাৰত ২০২৬ চন পৰ্যন্ত অব্যাহত থাকিব বুলি আশা কৰা হৈছে।

০০০০০

বিশিষ্ট লেখক ছলমান ৰুছডিক ২০২২ চনৰ নিউয়ৰ্কৰ এটা সাংস্কৃতিক অনুষ্ঠানত চুৰীৰে আক্ৰমণ কৰা হাদি মাটাৰ নামৰ আমেৰিকান-লেবানিজ লোকজনক ২৫ বছৰৰ কাৰাদণ্ড বিহা হৈছে। ২৭ বছৰীয়া যুৱকজনক ৰুছডিৰ হত্যাৰ চেষ্টা চলোৱাৰ অপৰাধত এই শাস্তি বিহা হয়। এই আক্ৰমণত লেখকগৰাকীৰ এটা চকু ঘূণীয়া হয়। যুৱকজনক লগতে সাংস্কৃতিক অনুষ্ঠানটোৰ আয়োজকক অপদস্ত কৰাৰ অভিযোগত অতিৰিক্ত ৭ বছৰৰ কাৰাদণ্ড বিহা হয়। হাদি মাটাৰৰ বিৰুদ্ধে বৰ্তমান কেইবাটাও সন্ত্ৰাসবাদী সম্পৰ্কীয় গোচৰ চলি আছে, যিসমূহৰ ৰায়দানত তেওঁৰ যাৱজ্জীৱন কাৰাদণ্ড হ'ব পাৰে।

০০০০০

এসপ্তাহৰ বিৰতিৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ আজিৰ পৰা পুনৰ অনুষ্ঠিত হ'ব। আজি চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে যোৱা ৯ মে'ত ভাৰত আৰু পাকিস্তানৰ মাজৰ বৰ্ধিত উত্তেজনাৰ পৰিপ্ৰেক্ষিতত আই পি এলৰ খেলসমূহ সাময়িকভাৱে স্থগিত ৰখা হৈছিল। বি চি চি আয়ে তেতিয়াই এটা নতুন নিৰ্দেশনাৰ জৰিয়তে মোহালি আৰু ধৰমশালাত এই প্ৰতিযোগিতাৰ পৰৱৰ্তী কোনো খেল অনুষ্ঠিত নহয় বুলি প্ৰকাশ কৰিছিল। যোৱা ৮ মে'ত খেল চলি থকা অৱস্থাত স্থগিত হোৱা পঞ্জাৱ কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন ২৪ মে'ত জয়পুৰত অনুষ্ঠিত হ'ব। আনহাতে ২৫ মে'ত হ'বলগীয়া ফাইনেল খেলখন ৩ জুনত অনুষ্ঠিত হ'ব। ফাইনেল খেলৰ স্থান পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আয়ে অহা ৩০ মে'ৰ পৰা হ'বলগীয়া ইংলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় এ দলটো ঘোষণা কৰিছে। পৰিষদে অভিমন্যু ইশ্বৰনক অধিনায়ক আৰু ধ্ৰুৱ জুৰেলক সহ-অধিনায়ক হিচাপে বাচনি কৰিছে। ইয়াৰ লগতে কৰুন নায়াৰকো এই দলত স্থান দিয়া হৈছে। ইপিনে সুভমন গীল আৰু ছাই সুদৰ্শনে দ্বিতীয়খন খেলৰ পূৰ্বে দলটোত যোগদান কৰিব। দলত স্থান লাভ কৰা অন্যান্য খেলুৱৈসকল হৈছে- যশস্বী জয়ছোৱাল, নীতিশ কুমাৰ ৰেড্ডী, শ্বাৰ্দুল ঠাকুৰ, ঈশ্বান কিষান, মানৱ সুথাৰ, তনুশ কোটিয়ান, মুকেশ কুমাৰ, আকাশ দ্বীপ, হৰ্ষিত ৰানা, অনচুল কাম্বোজ, খলিল আহমেদ, ৰুতুৰাজ গাইকোৱাড়, ছৰফৰাজ খান, তুষাৰ দেশপাণ্ডে আৰু হৰ্ষ ডুবে।

০০০০০

১৯ বছৰ অনুৰ্ধৰ ছাফ চেম্পিয়নশ্বিপত ভাৰতীয় ফুটবল দলটো ফাইনেলত প্ৰৱেশ কৰিছে। অৰুণাচল প্ৰদেশৰ ইউপিয়াৰ গল্ডেন জুবিলি ষ্টেডিয়ামত অনুষ্ঠিত চেমি ফাইনেলত ভাৰতীয় দলটোৱে মালদীপক ৩-০ গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। দলৰ হৈ ডেনি মেইটেই লাইশ্বৰাম, উমঙ দদুম আৰু প্ৰশান্ত জ'জ'ই এটাকৈ গ'ল দিয়ে। ইয়াৰ পূৰ্বে পৰহি অনুষ্ঠিত আন এখন ছেমিফাইনেলত বাংলাদেশে নেপালক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ফাইনেল খেলখন কাইলৈ ইউপিয়াৰ গল্ডেন জুবিলি ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত